# শাক-পাচলিৰ খেতিৰে জীৱিকা নিৰ্বাহ কৰা সফল কৃষকজন

নাম ঃ শ্ৰীলঙ্কেশ্বৰ ডেকা

শিক্ষাগত অৰ্হত্ৰ ঃ পঞ্চম শ্ৰেণী

বয়স ঃ ৪৮ বছৰ

গাওঁ ঃ বগিবাৰী কৃষিচক্ৰ, সোণাপুৰ

ডাকঘৰ ঃ হহৰা (সোণাপুৰ)

জিলা ঃ কামৰূপ

শ্ৰীযুত লঙ্কশ্বেৰ ডেকা এজন সফল শাক-পাচলি উৎপাদন কৰা কৃষক। ২০০২-০৩ চনত তেওঁ শাক-পাচলি কৰিবৰ বাবে প্ৰযুক্তি অভিযান (উদ্যান শস্য), আচনিৰ অধানত সাহায্য লাভ কৰা সোণাপুৰ কৃষি চক্ৰৰ গোটটোৰ তেওঁ এজন সদস্য আছিল। সেইবছৰ তেওঁ কবি আৰু বিলাহী খেতি কৰি যথেষ্ট লাভৱান হৈছিল। তাৰ আগতেওঁ ৰবি শস্যৰ বতৰত বিভিন্ন শাক-পাচলি তেওঁ উৎপাদন কৰিছিল যদিও ব্যৱসায়ীক মনোবৃত্তি তেওঁৰ গড় লৈ উঠা নাছিল। বৰ্ত্তমানৰ সম্পূৰ্ণ ব্যৱসায়ীক মনোবৃত্তিৰ শ্ৰীডেকাই বৰ্ত্তমান (২০০5) ১ বিঘা জিকা আৰু আধা বিঘা পূৰৈ শাকৰ খেতি কৰিছে। নামধাৰী কোম্পানীৰ বৰ্নসংকৰ জাতৰ জিকাৰ বীজ তেওঁ ফাগুন মাহৰ ২০ তাৰিখে সিচি বহাগৰ প্ৰথমৰ পৰা জিকা বিক্ৰী কৰিবলৈ আৰম্ভ কৰিছে। বৰ্ত্তমান তেওঁ প্ৰতিদিনে ১ কুইন্টল জিকা বিক্ৰী কৰি আছে। ২০ টকা দূৰৰ পৰা প্ৰতিকিলোত বিক্ৰী কৰা ডেকাই ১ বিঘা মাটিৰ পৰা সকলো খৰচ বাদ দি ৩০ ৰ পৰা ৩৫ হাজাৰ টকা পাব বুলি আশা কৰিছে।

ঠিক তেনেদৰে আদা বিঘা মাটিৰ পূৰৈ শাকৰ পৰা অতি কমেও ১২ হাজাৰ টকা পোৱাৰ আশা। ধানখেতিৰ প্ৰতি সম্পূৰ্ণ অনিহা প্ৰকাশ কৰা ডেকাই লৰা ছোৱালী তিনিজনীৰ সৈতে পাচ জনীয়া পৰিয়ালটিক পোহ পাল দিয়াৰ উপৰিও আটাই কেইটি লৰা ছোৱালীয়ে স্কুলত পঢ়াৰ খৰচৰো বহন কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীডেকাক দেখি আন কেইবাজনো কৃষকে এইবাৰ ব্যৱসায়িক ভিত্তিত জিকাৰ খেতি কৰিছে। তেওঁ সঁচাকৈয়ে বগিবাৰী অঞ্চলৰ এজন আদৰ্শবান কৃষক।

(উৎস ঃ জিলা কৃষি বিষয়া, কামৰূপ)